সত্যনিষ্ঠ সাংবাদিকতাত উৎসৰ্গিত

গুৱাহাটী, যোৰহাট আৰু লখিমপুৰৰ পৰা প্ৰকাশিত

# আমাৰ অসম

গুৱাহাটী □ মঙলবাৰ □ ১৬ ফাগুন ১৯৩২ শক □ ১ মাৰ্চ ২০১১ □ চতুৰ্দশ বছৰ □ সংখ্যা ৩০৯ □ মূল্য ঃ ৪·০০ টকা ★

## কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ জ্ঞান-তৰংগ

# এতিয়াৰ পৰা দৈনিক ২০ ঘণ্টাকৈ সম্প্ৰচাৰ হ'ব

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৮ ফেব্ৰুৱাৰী ঃ** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধীনত কমিউনিটী ৰেডিঅ' সেৱা 'জ্ঞান-তৰংগ' ১ মাৰ্চৰ পৰা দিনে ২০ ঘণ্টাকৈ সম্প্ৰচাৰ কৰা হ'ব। আজি গুৱাহাটীৰ হাউছফেড কমপ্লেক্সত আহ্বান কৰা এখন সংবাদ মেলত এই কথা প্ৰকাশ কৰে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য শ্ৰীনাথ বৰুৱাই। বৰ্তমানলৈকে এই অনাতাঁৰ সেৱা দিনটোৰ ৬ ঘণ্টাহে উপলব্ধ হৈছিল যদিও ১ মাৰ্চৰ পৰা গুৱাহাটীবাসীয়ে ৯০.৪ মেগাহাৰ্টজত ২০ ঘণ্টাকৈ শুনিবলৈ পাব। অনাতাঁৰ কেন্দ্ৰটোৰ জৰিয়তে বিশ্ববিদ্যালয়খনৰ ৩৩টা অধ্যয়ন কেন্দ্ৰৰ শিক্ষাৰ্থীসকল উপকৃত হ'ব বুলিও উপাচাৰ্য বৰুৱাই আশা প্ৰকাশ কৰে। তেওঁ কয় যে নতুন আঁচনি অনুসৰি প্ৰতিদিনে ৫ ঘণ্টাকৈ শিক্ষামূলক অনুষ্ঠানৰ সম্প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত বিশ্ববিদ্যালয়ে আগবঢ়োৱা সকলো পাঠ্যক্ৰমক সামৰি লোৱা হ'ব। ইয়াৰ উপৰি সামাজিক দায়বদ্ধতাৰ কথাও মনত ৰাখি উপাচাৰ্যজনে নিজেই প্ৰতি সোমবাৰে বিয়লি ৪.৩০-৫ বজালৈ শ্ৰোতাৰ প্ৰশ্নৰ উত্তৰ দিবলৈ জ্ঞান-তৰংগৰ ষ্টুডিঅ'ত ফোন-ইন অনুষ্ঠানত উপস্থিত থাকিব বুলি জানিবলৈ দিয়ে। উল্লেখ্য যে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ উদ্যোগত আন এটা অনুষ্ঠানত জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু আন চৰকাৰী বিষয়াসকল গুৱাহাটীবাসীৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দিবলৈ জ্ঞান-তৰংগৰ ষ্টুডিঅ'ত উপস্থিত থাকিব বুলিও বৰুৱাই জনায়। তেওঁ লগতে কয় যে বিশ্ববিদ্যালয়খনে ২০০৯ চনৰ পৰা আগবঢ়াই থকা পি এইচ ডি পাঠ্যক্ৰম বৰ্তমান ৩০জনে গ্ৰহণ কৰি আছে। চলিত বৰ্ষৰ জুলাইৰ পৰা বিশ্ববিদ্যালয়খনত পশু চিকিৎসা বিজ্ঞানবিষয়ক পাঠ্যক্ৰম আগবঢ়োৱা হ'ব। বৰ্তমান চলি থকা গণ সংযোগ, বাণিজ্যিক প্ৰশাসন, প্ৰায়োগিক কম্পিউটাৰ আদি বিষয়ৰ লগতে চলিত শিক্ষা বৰ্ষৰ পৰা সমাজ বিজ্ঞান আৰু ভাষা-সাহিত্যৰ বিষয়তো স্নাতকোত্তৰ পাঠ্যক্ৰম আগবঢ়াব। ইয়াৰ লগতে দুবছৰীয়া শিক্ষক প্ৰশিক্ষণৰ এটা পাঠ্যক্ৰম সৰ্বশিক্ষা অভিযানৰ সহযোগত আৰম্ভ কৰিব। চলিত শিক্ষাবৰ্ষত নামভৰ্তি কৰা ৪০,০০০ শিক্ষাৰ্থীৰ বিপৰীতে আগন্তুক শিক্ষাবৰ্ষত ৫০,০০০ শিক্ষাৰ্থীয়ে নামভৰ্তি কৰিব বুলি উপাচাৰ্যজনে আশা প্ৰকাশ কৰে।